# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ শুকুৰবাৰ, ৭ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, November 7, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


কাব্য সূৰা, কাব্য মহাৰ্য, কাব্য গুৰু আদি অলেখ উপাধিৰে বিভূষিত হৈছে। কাব্য গুৰু ড০ অজিত দত্ত কৰ্মসূত্ৰে অস্থায়ীভাৱে তিনিচুকীয়াৰ চলিহা নগৰ নিৱাসী যদিও জন্মসূত্ৰে তেওঁ ডিব্ৰুগড় জিলাৰ মদাৰখাত মৌজাৰ হাটিখোলা গাঁৱৰ প্ৰয়াত শিক্ষাবিদ হেমচন্দ্ৰ দত্ত আৰু প্ৰয়াত প্ৰধান শিক্ষয়িত্ৰী দীপেশ্বৰী দত্তৰ মাজু পুত্ৰ। কবি ড০ অজিত দত্তৰ ইতিপূৰ্বে প্ৰকাশিত কেইখনমান গ্ৰন্থ হৈছে নামী ধানৰ ছাউনি, অপূৰ্ণ পিপাসা, গছি ধানৰ গেজেৰা, তুলাপাতত তুলিকাৰ তুহিন, ৰবশী, উৰ্মিলা, মোৰ পিৰীতিৰ প্ৰতিটো পৃষ্ঠাতে তোমাৰেই প্ৰতিচ্ছবি, সাহিত্য সংস্কৃতিৰ মুকুৰ, গজলীয়া ৰৰষুণজাকৰ পিছত শীৰ্ষক (গল্প সংকলন), আহ্ (একাংকিকা নাট) আদি। ড° দত্তৰ এই বঁটা প্ৰাপ্তিত সমগ্ৰ মদাৰখাতবাসী উৎফুল্লিত হৈ তেওঁক অজস্ৰ শুভকামনা জনোৱাৰ লগতে তিনিচুকীয়াবাসীয়ে গৌৰব অনুভৱ কৰিছে।

## ৰাস প্ৰেমৰ সৰ্বোচ্চ অনুভূতি ঃ ড° শইকীয়া



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ নৱেম্বৰ ঃ** ৰাসলীলা মানে অনুভৱৰ আনন্দ, সৃষ্টিশীলতাৰ সৌন্দৰ্য আৰু প্ৰেমৰ বহিঃপ্ৰকাশ। ৰাসলীলাই জীৱনক সজীৱ, মধুৰ আৰু সম্পূৰ্ণ কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড়ৰ চৌকিডিঙ্গি খেলপথাৰত ডিব্ৰুগড়ৰ সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰৰ উদ্যোগত দুদিনীয়াকৈ আয়োজিত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলাৰ ৫ নৱেম্বৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষগৰাকীয়ে কয়— যিয়ে জীৱনত ৰাসলীলাৰ মাহাত্ম্য অনুভৱ নকৰে, তেওঁৰ জীৱন শুকান গছৰ দৰে হৈ পৰে। তেওঁ আধ্যাত্মিকতাই মানুহৰ আত্মাক শুদ্ধ কৰে বুলি উল্লেখ কৰি কয় যে ৰাসলীলাই মানুহৰ আত্মাক আনন্দৰে ভৰাই তোলে আৰু সঠিক পথৰ সন্ধান দিয়ে। আধ্যাত্মিকতাই মানুহৰ অন্তৰাত্মা শুদ্ধ কৰে আৰু ৰাসলীলাই মানুহৰ জীৱন মধুৰ কৰে বুলি সদৰী কৰি কয়— ৰাস হ'ল আনন্দ, সুৰ, সৌন্দৰ্য আৰু সৰগীয় প্ৰেমৰ সৰ্বোচ্চ অনুভূতি। লীলা হ'ল ঐশ্বৰিক কাৰ্য বা খেল। অধ্যক্ষগৰাকীয়ে সমাজত আধ্যাত্মিক জাগৰণ, নৈতিক মূল্যবোধৰ বিকাশ, সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সামাজিক সম্প্ৰীতিৰ প্ৰতীক, শিল্প-সাহিত্যৰ বিকাশ, নতুন প্ৰজন্মৰ শিক্ষা, মানসিক শান্তি আৰু আনন্দ, ধৰ্মীয় মানসিকতা, সাম্প্ৰদায়িক ঐক্য আৰু ভক্তিপ্ৰেমৰ আন্দোলনৰ বাবে ৰাসৰ প্ৰয়োজন সমাজত আজিও শক্তিশালী হৈ আছে বুলি কয়। অধ্যক্ষগৰাকীয়ে ৰাসলীলাক সমাজৰ শুদ্ধ প্ৰেম, ভক্তি আৰু আনন্দৰ ঐশ্বৰিক নৃত্য বুলিও উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানটিত ৰাসলীলা উদ্‌যাপন সমিতিৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ড০ জয়ন্ত মাধৱ চলিহা, সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰৰ অধ্যাপক তথা আয়োজক সমিতিৰ সম্পাদক মোহন তামুলী, ভাৰপ্ৰাপ্ত সম্পাদক চন্দন যুকনকে ধৰি ভালেকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আনহাতে, ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ডিব্ৰুগড় সত্ৰীয়া সংগীত বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত ৰাসলীলা মহোৎসৱত উদ্বোধক হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড০ গোপাল হাজৰিকা। উদ্বোধনী ভাষণ প্ৰসংগত ড০ হাজৰিকাই বৰ্তমান সময়ত ভক্তিৰসৰ প্ৰাসংগিকতা আৰু নতুন প্ৰজন্মৰ মাজত আধ্যাত্মিকতাৰ প্ৰবৃত্তি জাগ্ৰত কৰি তুলিবলৈ ঐশ্বৰিক শক্তি ভগৱান শ্ৰীকৃষ্ণৰ জীৱন ভিত্তিক এনে ৰাসলীলাৰ মহত্ত্ব আছে বুলি উল্লেখ কৰে। বন্তিপ্ৰজ্বলক হিচাপে উপস্থিত থাকে বিশিষ্ট শিল্পী ৰাম চাচনি, সমাজ কৰ্মী জ্যোতি প্ৰসাদ কানৈ আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া। দৰ্শকে ঠাহ খাই থকা প্ৰেক্ষাগৃহত ভাৱৰীয়াসকলে সুন্দৰ ৰাসলীলা প্ৰদৰ্শন কৰি প্ৰায় পাঁচ ঘণ্টা সময় সকলো দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে বুলি উদ্‌যাপন সমিতিৰ হৈ প্ৰচাৰ সম্পাদক ভূৱনজ্যোতি বৰুৱাই অৱগত কৰে।

## দুলীয়াজান কলেজত ভূপেন দাক সোঁৱৰণ

**বিশেষ প্ৰতিনিধি, দুলীয়াজান, ৬ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কালি দুলীয়াজান সমজিলাৰ উদ্যোগত আৰু দুলীয়াজান মহাবিদ্যালয়ৰ সহযোগত দুলীয়াজান মহাবিদ্যালয় প্ৰাংগনত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ১৪ সংখ্যক মৃত্যু দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত বিশিষ্ট ব্যক্তি সকলে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছতে আদৰণী ভাষণ আগবঢ়াই দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে। অনুষ্ঠানটোত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী আৰু দুলীয়াজান সমজিলা আয়ুক্ত অংকুৰ দাসে সুধাকণ্ঠৰ জীৱন আৰু কৰ্মৰ ওপৰত বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে উপস্থিত ৰাইজে সমূহীয়াকৈ সুধাকণ্ঠৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' পৰিৱেশন কৰে। অনুষ্ঠানটোত দুলীয়াজান সমজিলা আয়ুক্ত অংকুৰ দাস, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলীৰ উপৰি দুলীয়াজান সমজিলা সহকাৰী আয়ুক্ত নীলাক্ষী ভূঞা, দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোক বিকাশ গগৈ, অধ্যাপক ড০ চিত্ৰজিৎ শইকীয়াকে প্ৰমুখ্য কৰি ভালেসংখ্যক অধ্যাপক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আদি উপস্থিত থাকে। দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ৰাজীৱ কুমাৰ দলেৰ তত্বাৱধানত অনুষ্ঠানটো পৰিচালনা কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰ'দালী মহন্তে।

## সুধাকণ্ঠক

**ডিব্ৰুগড়, ৬ নৱেম্বৰ ঃ** সুধা
ভাৰতৰত্ন ড° ভূপেন হাজৰিকা
মৃত্যুবাৰ্ষিকী। ৰাজ্যৰ প্ৰান্তে
সুধাকণ্ঠগৰাকীক সোঁৱৰী আয়োজি
বিভিন্ন অনুষ্ঠানৰ। ঐতিহ্যমণ্ডিত
সাহিত্য সভাত বিশ্ববৰেণ্য শি
শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই
ডিব্ৰুগড় সাহিত্য সভাৰ সম্পা
বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠ
প্ৰজ্বলন কৰে ডিব্ৰুগড় সাহিত্য স
সভাপতি যাদৱ গগৈয়ে। মাল্য
অনাতাঁৰ শিল্পী ভূৱন গগৈয়ে। ত
অসমীয়া জাতীয় জীৱনৰ মূধচ
হাজৰিকাই শংকৰ-মাধৱ,
অনিৰুদ্ধদেৱৰ পৰৱৰ্তী জ্যো
উত্তৰসুৰি হিচাপে অসমক বিশ্ব
প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ

## ডিব্ৰুগড়ত
## চাইক্লিষ্ট নিশ

